# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 05-10-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
:::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।
২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে ৩ খন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক নিযুক্তি দিছে।
৩। ২০২৬ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নবেল বঁটা ঘোষণা কৰা হৈছে।
৪। সমাগত উত্তৰ প্ৰদেশৰ ৰাজ্যসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে আজি ৮ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ***আৰু***
৫। এপ ভিত্তিক আৰু ডিজিটেল পৰিবহন সেৱা ব্যৱহাৰ কৰা মহিলা যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় মহিলা আয়োগে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন, সংস্কৃতি, জনসাধাৰণৰ মাজৰ সংযোগকে ধৰি বিভিন্ন বিষয়ত দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁলোকে লগতে আঞ্চলিক আৰু গোলকীয় বিষয়তো মত বিনিময় কৰে। ৰাষ্ট্ৰপতি পাৰ্মেলিন শীৰ্ষ বিষয়া আৰু ব্যৱসায় নেতাসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ সৈতে আজি পুৱা তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়। ভাৰতত উপস্থিত হোৱাৰ পাছত আদৰণি অনুষ্ঠানৰ পাছত সাংবাদিকৰ আগত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰত আৰু ছুইজাৰলেণ্ডৰ সম্পৰ্কক সুদৃঢ় কৰাৰ ক্ষেত্ৰত এই ভ্ৰমণ এটা বিশেষ সুযোগ। তেওঁ কয়, যে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক গণতান্ত্ৰিক প্ৰমূল্য, আস্থা আৰু পাৰস্পৰিক সন্মানৰ ওপৰত গঢ় লৈ উঠিছে।

ইপিনে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰেও আজি ৰাষ্ট্ৰপতি পাৰ্মেলিনক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য সংঘ-বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ আধাৰত গঢ়ি উঠা ভাৰত-ছুইজাৰলেণ্ড অংশীদাৰিত্ব সুদৃঢ় কৰাৰ দিশত ৰাষ্ট্ৰপতি পাৰ্মেলিনৰ মনোভাৱৰ প্ৰশংসা কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতিগৰাকীৰ মাজৰ বৈঠকে বিভিন্ন ক্ষেত্ৰ সামৰি ল'ব বুলি আশা প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে নতুন দিল্লীত উপস্থিত হৈ অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজঘাটত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে। শ্ৰীপাৰ্মেলিনে আজি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। শ্ৰীমুৰ্মুৱে ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰিব।

০০০০

ভাৰত আৰু চুইজাৰলেণ্ডে প্ৰশিক্ষণ আৰু প্ৰতিৰক্ষা উদ্যোগসমূহৰ মাজত প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধিৰ বাবে কাম কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পশ্চিম শাখাৰ সচিব চি বি জৰ্জে কয়, যে চুইজাৰলেণ্ডৰ কোম্পানীসমূহে যৌথ উৎপাদন আৰু প্ৰতিৰক্ষা খণ্ডৰ উন্নয়নৰ জৰিয়তে মেক ইন ইণ্ডিয়াৰ অধীনত সুযোগৰ অন্বেষণ কৰিব পাৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

আমন্ত্ৰণমৰ্মে চুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি বৰ্তমান ভাৰত ভ্ৰমণত আছে আৰু দুয়োপক্ষই দ্বিপাক্ষিক বিষয় লৈ আলোচনা কৰিছে। চুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুপৰীয়া এক প্ৰীতিভোজৰ আয়োজন কৰে। ভাৰত আৰু ছুইজাৰলেণ্ডে আন্তঃগাথনি বিজ্ঞান প্ৰযুক্তি, মহাকাশ আৰু পাৰমাণৱিক শক্তিৰ দৰে ক্ষেত্ৰত নিৰন্তৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুয়োপক্ষই কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। সচিবগৰাকীয়ে জনোৱা অনুসৰি ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীয়ে বুধবাৰে হ'বলগীয়া সমৃদ্ধি সন্মিলনত অংশগ্ৰহণ কৰিব। ভাৰত ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব  চুক্তিৰ প্ৰযোজ্য হোৱাৰ এবছৰ উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। শ্ৰীজৰ্জে কয় যে এই সন্মিলন ভাৰত আৰু ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ দেশসমূহৰ নীতি নিৰ্ধাৰক আৰু ব্যৱসায়ীসকলক একত্ৰিত কৰাৰ এক গুৰুত্বপূৰ্ণ মঞ্চ। শ্ৰীজৰ্জে লগতে কয় যে ২০২৭ চনৰ জুন মাহত ছুইজাৰলেণ্ডৰ জেনেভাত পৰৱৰ্তী সন্মিলন অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে ছুইজাৰলেণ্ড, ভাৰতীয় পৰ্যটক আৰু চিনেমাৰ শ্বুটিঙৰ বাবে জনপ্ৰিয় গন্তব্য স্থান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী বছৰটোত হ'বলগীয়া ৰেভছ টু পইণ্ট জিৰো সন্মিলনত ছুইজাৰলেণ্ডৰ সৃষ্টিশীল উদ্যোগসমূহক অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছে বুলি তেওঁ সদৰি কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ তিনিখন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে  আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে জনাইছে যে ৰাষ্ট্ৰপতিয়ে গুজৰাট উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, ন্যায়াধীশ সুনীতা আগৰৱাল, দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, ন্যায়াধীশ দেৱেন্দ্ৰ কুমাৰ উপাধ্যায় আৰু তেলেংগানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ অপৰেশ কুমাৰ সিঙক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিছে।

ইপিনে, ন্যায়িক বিষয়া গুৰবিন্দৰ পাল সিঙক দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপেও ৰাষ্ট্ৰপতিগৰাকীয়ে নিযুক্তি দিয়ে।

০০০০

২০২৬ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নবেল বঁটা ঘোষণা কৰা হৈছে। অপ্টোজেনেটিক্সৰ সৈতে জড়িত বিষয়ত কৰা গৱেষণাৰ বাবে কাৰ্ল দাইচেৰেথ, পীটাৰ হেগেমান আৰু জৰ্জ নাগেললৈ এই বঁটা আগবঢ়োৱা হৈছে। ষ্টকহমৰ কেৰলিনস্কা ইন্সটিটিউটেতত নবেল সমিতিয়ে আজি এই বঁটা ঘোষণা কৰে। উল্লেখযোগ্য যে কাৰ্ল দাইচেৰেথ হৈছে আমেৰিকাৰ ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ এগৰাকী অধ্যাপক, পীটাৰ হেগেমান হৈছে এগৰাকী জাৰ্মান জৈৱ পদাৰ্থ বিজ্ঞানী আৰু জৰ্জ নাগেল হৈছে এগৰাকীজাৰ্মান স্নায়ুবিজ্ঞানী।

০০০০

সমাগত উত্তৰ প্ৰদেশৰ ৰাজ্যসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে আজি ৮ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলটোৱে ধৰ্মপাল সিং, ৰাধাকান্ত ওজা, প্ৰকাশ পাল, বিদ্যাসাগৰ সোনকাৰ, গোপীকৃষ্ণ পাণ্ডে, প্ৰিয়ংকা সিং ৰাৱট, ৰামপ্ৰতাপ সিং চৌহান, আৰু শ্ৰুতি গাংগৱক প্ৰাৰ্থীত্ব দিছে। কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীক উত্তৰ প্ৰদেশৰ পৰা দলটোৰ প্ৰাৰ্থী হিচাপে অৱশ্যে ঘোষণা কৰা নাই।

দলটোৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰে। কাইলৈ মনোনয়ন দাখিল কৰাৰ অন্তিম দিন। ইতিমধ্যে দলটোৱে উত্তৰাখণ্ড আৰু পশ্চিমবংগৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে।

উল্লেখযোগ্য যে উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড আৰু পশ্চিমবংগৰ ৰাজ্যসভাৰ সদস্য পদৰ খালী হোৱা আসনসমূহৰ নিৰ্বাচনৰ বাবে ১৬ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উত্তৰ প্ৰদেশৰ ১০ খন আসনৰ বাবে উত্তৰাখণ্ডৰ এখন আসনৰ বাবে আৰু পশ্চিমবংগৰ এখন আসনৰ উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০

এপ ভিত্তিক আৰু ডিজিটেল পৰিবহন সেৱা ব্যৱহাৰ কৰা মহিলা যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় মহিলা আয়োগে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। আয়োগে কয় যে যি সময়ত দৈনন্দিন জীৱনত মহিলাসকলৰ বাবে এপ ভিত্তিক পৰিবহন সেৱা অতি প্ৰয়োজনীয় হৈছে সেই সময়তে তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰাৰো প্ৰয়োজন আছে। মহিলাৰ অধিকাৰ আৰু মৰ্যদা ৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা প্ৰস্তুত কৰা হৈছে বুলি আয়োগে জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰাহতকাৰে সকলো ৰাজ্য আৰু  কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মুখ্য সচিবক এই নিৰ্দেশনা ৰূপায়ণৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ লিখিতভাৱে অনুৰোধ জনাইছে। তেওঁ কয় যে ৰাজহুৱা পৰিবহন ব্যৱস্থা বা এপ ভিত্তিক পৰিবহন ব্যৱস্থা ব্যৱহাৰ কৰা মহিলাসকল নিৰাপদে আৰু নিৰ্ভয়ে যাত্ৰা কৰিব পাৰিব লাগিব। প্ৰযুক্তিয়ে মানুহৰ যাত্ৰাক নতুন ৰূপ দিয়াৰ লগে লগে এই ক্ষেত্ৰত নিৰাপত্তাও সুনিশ্চিত হ'ব লাগিব বুলি অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে। প্ৰতিগৰাকী মহিলাই যাতে আত্মবিশ্বাস, নিৰাপত্তা আৰু মৰ্যদা সহকাৰে যাত্ৰা কৰিব পাৰে, তাৰ বাবে ৰাজ্যিক কৰ্তৃপক্ষ, আৰক্ষী আৰু পৰিবহন বিভাগ আদিয়ে সহযোগিতা আগবঢ়াব লাগিব বুলিও শ্ৰীৰাহতকাৰে উল্লেখ কৰে।

০০০০

চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা আগষ্ট মাহলৈ মিজোৰামত ৬ লাখ ৭৫ হাজাৰ ২৮৪ গৰাকী পৰ্যটকৰ আগমন হৈছে। মিজোৰামৰ বিভাগীয় কৰ্তৃপক্ষই জনোৱা মতে, ইয়াৰে ৬ লাখ ৬৪ হাজাৰ ১৯৭ গৰাকী দেশী পৰ্যটক আৰু ১১ হাজাৰ ৮৭ গৰাকী বিদেশী পৰ্যটক। ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্যসভাত পৰ্যটকৰ সংখ্যা আছিল ৫ লাখ ২৪ হাজাৰ ৭৮৪ গৰাকী। ইয়াৰে ৫ হাজাৰ ৯১১ গৰাকী বিদেশী পৰ্যটক। আনহাতে, ২০২৫-২৬ বৰ্ষত এই সংখ্যা ৯ লাখ ৮০ হাজাৰ ৬১৬ লৈ বৃদ্ধি হৈ অভিলেখ সৃষ্টি কৰিছে। নতুন ৰেল সংযোগ আৰু ৰাজ্যখনৰ পৰিবেশে পৰ্যটকসকলক মিজোৰামলৈ আকৰ্ষণ কৰিছে বুলি বিভাগীয় কৰ্তৃপক্ষই জনাইছে।

০০০০

ভাগৱন্ত মান নেতৃত্বাধীন আম আদমী পাৰ্টি চৰকাৰৰ দিনত পঞ্জাৱৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ অৱনতি ঘটাৰ লগতে দুৰ্নীতিৰ শীৰ্ষত থকা বুলি বিজেপিয়ে অভিযোগ উত্থাপন কৰিছে। আজি নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি দলৰ মুখপাত্ৰ সম্বিত পাত্ৰই দাবী কৰে যে যোৱা ৪৮ ঘণ্টাত ৰাজ্যখনত চাৰিটা হত্যাকাণ্ড সংঘটিত হৈছে। তেওঁ কয় যে আজি পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে আপ নেতৃত্বাধীন পঞ্জাৱ চৰকাৰৰ সৈতে জড়িত ব্যক্তিৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগৰ তদন্তৰ নিৰ্দেশ দি তদন্ত কৰিবলৈ কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (চিবিআই)ক অৰ্পণ কৰে।

০০০০

៖ সমাপ্ত ៖